**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***-----------------------***

১। কলকাতাত এগৰাকী আৱাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত ভাৰতীয় চিকিৎসা সংস্থাৰ আজি ২৪ ঘণ্টা জোৰা ৰাষ্ট্ৰীয় ধৰ্মঘটৰ আহ্বান।

২। বিভিন্ন উন্নয়নমূলক উদ্যমৰ জৰিয়তে বাংলাদেশৰ জনসাধাৰণক সহায় কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা প্ৰফেচাৰ মহম্মদ ইউনুছক আশ্বাস।

৩। গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি জন্ম বাৰ্ষিকী। ৰাজ্যজুৰি শিল্পীগৰাকীক স্মৰণ।

**আৰু**

৪। আসন্ন পেৰিছ পেৰা অলিম্পিকত দেশৰ ৮৪ গৰাকী খেলুৱৈৰ সৰ্ববৃহৎ দলৰ অংশগ্ৰহণ।

০০০০০০

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী আৱাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত আজি ২৪ ঘণ্টা জোৰা ৰাষ্ট্ৰীয় ধৰ্মঘটৰ আহ্বান জনাইছে। চিকিৎসা সংস্থাই পুৱা ৬ বজাৰ পৰা জৰুৰী সেৱাৰ বাহিৰে অন্য সেৱা আৰু অ' পি ডি বন্ধ ৰখাৰ বাবে আহ্বান জনাইছে। সংস্থাটোৱে ভুক্তভোগী চিকিৎসকগৰাকীৰ হকে ন্যায় আৰু স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়ন কৰিবলৈ আহ্বান জনাইছে। ইপিনে আজি ৰাজ্যজুৰি অসমৰ চিকিৎসসকলে এই প্ৰতিবাদী কাৰ্যসূচীত অংশ ল'ব। ফলত আজি অসমতো চিকিৎসালয়সমূহত জৰুৰীকালীন সেৱাৰ বাদে আন চিকিৎসা সেৱা বন্ধ থাকিব। ইণ্ডিয়ান মেডিকেল এছ'চিয়েচনৰ অসম শাখাই জনোৱা মতে আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত বহু বেচৰকাৰী চিকিৎসালয়ৰ কৰ্তৃপক্ষও সহযোগ কৰিব।

ইপিনে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে এটা নিৰ্দেশ যোগে কৈছে যে, চিকিৎসকৰ সৈতে সংঘটিত হিংসাত্মক ঘটনাৰ ক্ষেত্ৰত ৬ ঘণ্টাৰ ভিতৰত এজাহাৰ ৰুজু কৰা উচিত আৰু এজাহাৰ ৰুজু কৰাটো সংস্থাটোৰ মুৰববীৰ দায়িত্ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোন যোগে বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা প্ৰফেচাৰ মহম্মদ ইউনুছৰ সৈতে কথা পাতে। কথোপকথনৰ সময়ত প্ৰধানমন্ত্ৰীয়ে গণতান্ত্ৰিক, সুস্থিৰ, শান্তিপূৰ্ণ আৰু প্ৰগতিশীল বাংলাদেশৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ কথা দোহাৰে। তেওঁ বিভিন্ন উন্নয়নমূলক উদ্যমৰ যোগেদি বাংলাদেশৰ জনসাধাৰণক সহায় কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে দেশখনত

বাস কৰা হিন্দু আৰু অন্য সকলো সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পৰিৱৰ্তে প্ৰফেচাৰ ইউনুছে অন্তৰ্বৰ্তীকালীন চৰকাৰখনে বাংলাদেশত বাস কৰা হিন্দু আৰু সকলো সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা আৰু নিৰাপত্তাত অগ্ৰাধিকাৰ দিব বুলি আশ্বাস দিয়ে। বাংলাদেশৰ বিদেশ মন্ত্ৰালয়ে জাৰি কৰা প্ৰেছ বিজ্ঞপ্তি অনুসৰি দুয়োগৰাকী নেতাই নিজ নিজ ৰাষ্ট্ৰৰ অগ্ৰাধিকাৰৰ ভিত্তিত উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক আগুৱাই নিয়াৰ বিভিন্ন উপায় সম্পৰ্কেও আলোচনা কৰে।

oooooo

কেন্দ্ৰীয় কেবিনেটে দেশত তিনিটা নতুন মেট্ৰ' ৰে'ল প্ৰকল্প ৰূপায়নৰ প্ৰস্তাৱত অনুমোদন দিছে। এই প্ৰকল্পসমূহৰ ভিতৰত ১৫ হাজাৰ ৬১১ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া বাংগালুৰু মেট্ৰ'ৰ তৃতীয় পৰ্যায়, ১২ হাজাৰ ২০০ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া থানে ইণ্টিগ্ৰেট ৰিং মেট্ৰ' ৰে'ল প্ৰকল্প আৰু প্ৰায় ৩ হাজাৰ কোটি টকা ব্যয়েৰে স্বাৰগে'টৰ পৰা কটৰাজলৈ দক্ষিণ দিশে পুনে মেট্ৰ' ৰে'লৰ প্ৰথম পৰ্যায়ৰ সম্প্ৰসাৰণ অন্যতম। কেবিনেট বৈঠকৰ অন্তত কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, সম্প্ৰতি দেশৰ ২১ খন চহৰত মেট্ৰ' ৰে'ল চলি আছে। কিন্তু ১০ বছৰ পূৰ্বে মাত্ৰ ৫ খন চহৰতহে মেট্ৰ' ৰে'ল সেৱা কাৰ্যক্ষম হৈ আছিল। তেওঁ কয় যে, গোলকীয় পৰ্যায়ত মেট্ৰ' ৰে'ল নেটৱৰ্কৰ দূৰত্বৰ দিশৰ পৰা ভাৰত তৃতীয় স্থানত আছে। শ্ৰীবৈষ্ণৱে লগতে অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে বিহাৰৰ বিহটা আৰু পশ্চিমবংগৰ বাগদোগ্ৰাত নতুন অসামৰিক বহিঃক্ষেত্ৰৰ বিকাশৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰস্তাৱ অনুসৰি বাগদোগ্ৰা বিমান বন্দৰত আনুমানিক এহেজাৰ ৫৪৯ কোটি টকা ব্যয়েৰে নতুন অসামৰিক বহিঃক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত বাগদোগ্ৰা বিমান বন্দৰৰ সঞ্চালন দক্ষতা আৰু যাত্ৰীৰ অভিজ্ঞতা যথেষ্ট উন্নত হ'ব আৰু অঞ্চলটোৰ গুৰুত্বপূৰ্ণ বিমান যাত্ৰা কেন্দ্ৰ হিচাপে বিমান বন্দৰটোৰ ভূমিকা সুদৃঢ় হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে, বিহাৰৰ বিহটাত এহেজাৰ ৪১৩ কোটি টকাৰে নতুন অসামৰিক বহিঃক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব। এই আন্তঃগাঁথনি প্ৰকল্পই পাটনা বিমান বন্দৰৰ সামৰ্থ্যৰ আনুমানিক সংপৃক্তিৰ সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত কৌশলগত পদক্ষেপ ৰূপে পৰিগণিত হ'ব।

oooooo

গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি জন্ম বাৰ্ষিকী। সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীক আজি ৰাজ্যজুৰি স্মৰণ কৰা হৈছে। ১৯৬৫ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে গীত গাই ১৯৭২ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোকসংগীতৰ শিল্পী হিচাপে আকাশবাণীৰ স্বীকৃতি লাভ কৰে। ১৯৭৪ চনৰ পাছত তেওঁ আকাশবাণীত কম্পোজাৰ হিচাপে চাকৰিত যোগদান কৰি পাছলৈ সংগীত প্ৰযোজক আৰু শেষত উত্তৰ-পূব সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক হিচাপে ২০০১ চনৰ ৩১ ডিচেম্বৰত অসৰৰ লয়।

১৯৬০ চনৰ অসমৰ ভাষা আন্দোলনৰ সময়ছোৱাত বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাসৰ হাৰমণি দলৰ এজন সক্ৰিয় সদস্যৰূপে ৰাজ্যজুৰি শান্তিৰ হকে তেওঁ গীত পৰিৱেশন কৰিছিল। কাউৰী পৰে, মা আমি শদিয়ালৈ যামেইকে ধৰি কেইবাটিও কালজয়ী গীতেৰে অসমৰ সংগীত ক্ষেত্ৰখনক তেখেতে সমৃদ্ধ কৰি গৈছে। ৰাজ্যৰ ভিতৰুৱা অঞ্চলসমূহৰ পৰা সংগ্ৰহ কৰা লোকগীতসমূহ ৰাইজলৈ আগবঢ়াই দিয়াৰ লগতে বিহু গীতসমূহৰ প্ৰসাৰ আৰু সংৰক্ষণত তেখেতৰ বিশেষ অৰিহণা আছিল।

oooooo

উত্তৰ-পূব ভাৰতৰ বস্ত্ৰ উদ্যোগলৈ গৌৰৱ কঢ়িয়াই অসমৰ এৰী ৰেচমে অ'য়েকো টেক্সৰ প্ৰমাণপত্ৰ লাভ কৰিছে। এই স্বীকৃতিৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগম তথা সমূহ ৰাজ্যবাসীলৈ অভিনন্দন জনায়। ভৌগোলিক সূচাংকৰ স্বীকৃতিপ্ৰাপ্ত অসমৰ এৰী ৰেচমে এই প্ৰাপ্তিৰ জৰিয়তে অধিক প্ৰচাৰ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। অসমৰ সমৃদ্ধ ঐতিহ্যৰ বাবে এই স্বীকৃতি এটা বিশাল জয় বুলিও তেওঁ অভিহিত কৰে।

০০০০০০

ৰাজ্যৰ জলসিঞ্চন মন্ত্ৰী অশোক সিংহালে কালি দিছপুৰত বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। জলসিঞ্চন বিভাগৰ আয়ুক্ত সচিব, সচিব, মুখ্য অভিযন্তাকে ধৰি কেইবাগৰাকী বিষয়াৰ উপস্থিতিত অনুষ্ঠিত বৈঠকখনত মন্ত্ৰীগৰাকীয়ে বিভাগৰ অধীনত অব্যাহত থকা বিভিন্ন আঁচনিসমূহৰ কাম-কাজৰ বুজ লয়। লগতে মন্ত্ৰীগৰাকীয়ে কৃষকসকলৰ সুবিধা-অসুবিধাক বিশেষ প্ৰাধান্য দি খেতি পথাৰসমূহলৈ পৰ্যাপ্ত জলসিঞ্চন সুনিশ্চিত কৰাৰ লগতে তেওঁলোকৰ সমস্যাসমূহ ততাতৈয়াকৈ সমাধান কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।০০০০০

০০০০০০

দেশৰ চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহৰ নাম কালি ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বিচাৰক মণ্ডলীয়ে কালি ঘোষণা কৰা অনুসৰি কুলনন্দিনী মহন্তৰ ***এমুঠি পুঠি*** নামৰ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি তথা ৰজতকমল বঁটা লাভ কৰিছে। একেদৰে দৰে তিৱা ভাষাৰ চলচ্চিত্ৰ **ছিকাইশাল**লৈ ৰজত কমল বঁটা আগবঢ়োৱা হৈছে। নৰপন ডেকা পৰিচালিত অসমীয়া চুটি ছবি **শূন্যতা**ই শ্ৰেষ্ঠ চুটি ছবি তথা ৰজত কমল বঁটা লাভ কৰিছে। আনহাতে তথ্য চিত্ৰ শিতানত আইমী বৰুৱা পৰিচালিত বিৰুবালা-**Witch to Padmashri** আৰু পাৰ্থসাৰথী মহন্ত পৰিচালিত আন এখন অসমীয়া তথ্য চিত্ৰ হাড়গিলা ঃ **The Greater adjutant stork** লৈ বিচাৰকৰ বিশেষ বঁটা আগবঢ়োৱা হৈছে।

৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা উজলি উঠা অসমৰ পৰিচালক, প্ৰযোজকসকললৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতৰ দিনত সৃষ্টিৰ ন বাটেৰে অসমৰ শিল্পীসমাজে এক নতুন মানত্য প্ৰদান কৰিব বুলি প্ৰকাশ কৰে।

ইফালে ২০২২ চনৰ বাবে ঘোষণা কৰা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালাম চলচ্চিত্ৰ **আট্টম**ৰ নাম ঘোষণা কৰা হৈছে। আনহাতে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰিছে **আয়েনা** নামৰ তথ্যচিত্ৰখনে। হিন্দী চলচ্চিত্ৰ **উঁচাই**ৰ পৰিচালনাৰ বাবে সূৰজ বৰজাত্যই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। আনহাতে ফিচাৰ ফিল্ম শিতানত **গুলমোহ**ৰে শ্ৰেষ্ঠ হিন্দী ছবি বঁটা লাভ কৰিছে। হাৰিয়ানাৰ চলচ্চিত্ৰ **ফৌজা**ই তথ্যচিত্ৰৰ শিতানত গীতৰ কথাৰ বাবে শ্ৰেষ্ঠ সন্মান লাভ কৰিছে। **কান্তাৰা** ছবিৰ বাবে ঋষভ ছেট্টীয়ে শ্ৰষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰে। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচন তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ১৮ ছেপ্তেম্বৰত প্ৰথম পৰ্যায়ত, ২৫ ছেপ্তেম্বৰ দ্বিতীয় পৰ্যায় আৰু ১ অক্টোবৰত তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। আনহাতে এক অক্টোবৰত একেটা পৰ্যায়তে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। দুয়োখন ৰাজ্যৰে ৪ অক্টোবৰ ভোট গণনা কৰা হ'ব।

উল্লেখযোগ্য যে, জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে মনোনয়ন প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰলৈ অব্যাহত থাকিব। ইচ্ছুক ব্যক্তিসকলে ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in-যোগে মনোনয়ন দাখিল কৰিব পাৰিব। পদ্ম সন্মানসমূহ দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। তিনিটা শাখাত এই সন্মান প্ৰদান কৰা হয়। অসাধাৰণ আৰু বিশিষ্ট সেৱাৰ বাবে পদ্ম বিভূষণ সন্মান প্ৰদান কৰা হয়। একেদৰে উচ্চ খাপৰ বিশিষ্ট সেৱাৰ বাবে পদ্মভূষণ আৰু যিকোনো ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে পদ্মশ্ৰী সন্মান প্ৰদান কৰা হয়। প্ৰতিবছৰে গণৰাজ্য দিৱসৰ প্ৰাক্ সন্ধিয়া এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০০

বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ খণ্ড উন্নয়ন বিষয়া খুৰচিদা খানম আৰু সহকাৰী খণ্ড উন্নয়ন বিষয়া নেকিব আহমেদক দুৰ্নীতি নিবাৰক শাখাই উৎকোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ পাছত আৰক্ষীয়ে সহকাৰী খণ্ড উন্নয়ন বিষয়াগৰাকীৰ নলবাৰীৰ কলাফকিৰতোলাত অৱস্থিত বাসগৃহত কালি সন্ধিয়া অভিযান চলায়। উল্লেখ্য যে কালি দিনৰ ভাগত দুৰ্নীতি নিবাৰক শাখাই সৃজনগ্ৰাম উন্নয়ন খণ্ডত অভিযান চলাই খণ্ড উন্নয়ন বিষয়া আৰু সহকাৰী খণ্ড উন্নয়ন বিষয়া দুগৰাকীক উৎকোচ লোৱা অৱস্থাত হাতে-লোতে ধৰা পেলায়। আঁচনিৰ বিল পাছ কৰি দিয়াৰ বাবদ খণ্ড উন্নয়ন বিষয়াগৰাকীৰ হৈ অভিযোগকাৰীৰ পৰা সহকাৰী উন্নয়ন বিষয়াগৰাকীয়ে ১৬ হাজাৰ টকা উৎকোচ হিচাপে লৈছিল।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত অসমৰ জনগোষ্ঠীয় উৎসৱ পাৰ্বন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মৈৰাবাৰী মহাবিদ্যালয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ অংশুমান দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব।

০০০০০০

আসন্ন পেৰিছ পেৰালিম্পিকত দেশৰ ৮৪ গৰাকী খেলুৱৈৰ সৰ্ববৃহৎ দলে অংশ ল'ব। পেৰালিম্পিক ২৮ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে ৪৭ গৰাকী ভাৰতীয় এথলিটে এই ক্ৰীড়া মহোৎসৱত ভাগ ল'ব। কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ড° মনসুখ মন্দাভিয়াই ভাৰতীয় দলৰ শুভেচ্ছা অনুষ্ঠানত অংশগ্ৰহণ কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোত টাৰ্গেট অলিম্পিক প'ডিয়াম আঁচনিৰ পৰা উপকৃত ৫০ গৰাকী খেলুৱৈ আছে। তেওঁ কয় যে, চৰকাৰে এই আঁচনিৰ অধীনত খেলুৱৈসকলক অনুশীলন-প্ৰশিক্ষণৰ দৰে সকলো সুবিধা প্ৰদান কৰা হৈছে। ভালেসংখ্যক খেলুৱৈ খেল' ইণ্ডিয়া ক্ৰীড়া মহোৎসৱত আত্মপ্ৰকাশ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। যোৱাবাৰ টকিঅ' পেৰালিম্পিকত ভাৰতীয় খেলুৱৈসকলে সুন্দৰ প্ৰদৰ্শনেৰে ১৯টা পদক অৰ্জন কৰিছিল। টকিঅ' পেৰালিম্পিকত মুঠ ৫৪ গৰাকী ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

স্বাধীনতা দিৱসৰ দিনটোত ৰাজ্যৰ ২৫টা স্থানত আলফা স্বাধীনৰ বোমা সংস্থাপনে ৰাজ্যজুৰি আতংকৰ সৃষ্টি কৰিলে। এই বাতৰিক ২৫টা স্থান বোমা আলফা স্বাধীনৰ আতংক শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে দৈনিক জনমভূমি কাকতে বোমা উদ্ধাৰক লৈ ৰাজ্যজুৰি আতংক শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিক স্বাধীনতা দিৱসত ৰাজ্যৰ ২৫ স্থানত আলফাই বোমা স্থাপন কৰাক লৈ তীব্ৰ আতংক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতেও এই বাতৰিক মুখ্য বাতৰিৰ স্থান দি আলফাৰ বোমা মেলা শিৰোনামেৰে প্ৰকাশ কৰিছে।

সুদীৰ্ঘ ১০ বছৰৰ মূলত এইবাৰ জম্মু-কাশ্মীৰত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰি পাঁচখনকৈ অসমীয়া ছবিয়ে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াইছে। এই বাকৰিক অসমীয়া প্ৰতিদিন কাকতে শ্ৰেষ্ঠ অসমীয়া ছবি এমুঠি পুঠি, তিৰা চিকাইচাল, চুটি ছবি শূন্যতালৈ ৰজত কমল শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

৯ বছৰত দৰিদ্ৰতাৰ পৰা মুক্ত ৰাজ্যৰ ৮০ লক্ষ্যাধিক লোক। খানাপাৰাত স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি এই মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কলকাতাৰ আৰ জি ক'ৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী চিকিৎসকক বলাৎকাৰ আৰু হত্যাৰ প্ৰতিবাদত আজি দেশজুৰি চিকিৎসা সেৱা বন্ধৰ বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৱা পাঁচ বছৰৰ ভিতৰত ২২ বিধ অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি সম্পৰ্কীয় এটা বাতৰি দৈনিক অসম কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান আঁচনিৰ অধীনত ৰাজ্যৰ ৩০ হাজাৰ যুৱক-যুৱতীক দুই লাখ টকাকৈ দিব চৰকাৰে। এই বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোন যোগে বাংলাদেশৰ অন্তৰ্বৰ্তিকালীন চৰকাৰৰ মুখ্য উপদেষ্টা প্ৰফেছাৰ মহম্মদ ইউনোছৰ সৈতে কথা পাতে। কথোপকথনত বাংলাদেশত বাস কৰা হিন্দু আৰু অন্য সকলো সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা-নিৰাপত্তা সুনিশ্চিত কৰাত আলোকপাত কৰে। এই বাতৰিক দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকান পৰিয়ালৰ বাবে খৰচৰ মাত্ৰা কমাবলৈ কমলা হেৰিছৰ নতুন অৰ্থনৈতিক পৰিকল্পনাৰ উন্মোচন। এই বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমৰ এৰীলৈ স্বীকৃতি, মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এছ চি মাৰাকৰ দেহাৰসান।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত